# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 30-SEP-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমীত দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত আজি দুৰ্গা পূজাৰ মহা অষ্টমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে।

**বাক্সা** জিলাৰ ৰূপহীত আজি পুৱাৰে পৰা ৭৩ সংখ্যক ৰূপহী আঞ্চলিক সাৰ্বজনীন শ্ৰী শ্ৰী মা দুৰ্গা পূজা মহোৎসৱৰ মহা অষ্টমীত যথেষ্ট ভক্তৰ সমাগম হয়। সমগ্ৰ ৰূপহী অঞ্চলৰ বড়ো, কোচ, কছাৰী, ৰাভা, শৰণীয়া, বঙালী, মদাহি আদি সম্প্ৰদায়ৰ লোকে শ্ৰী মা দুৰ্গাৰ চৰণত সেৱা আগবঢ়ায়। জিলাখনত অনুষ্ঠিত পূজাৰ বিষয়ে আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয় –

বাইট

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত শোকাকুল হৈ **গোৱালপাৰা** জিলাৰ প্ৰতিখন পূজা সমিতিয়ে জাক-জমকতা পৰিহাৰ কৰি আধ্যাত্মিকতাৰ মাজেৰে কেৱল বৈদিক ৰীতি নীতিৰে পাজী অৰ্চনা কৰা দেখা গৈছে। উল্লেখযোগ্য যে জিলাখনৰ ১৪৩ টা পূজা মণ্ডপত এইবেলি দুৰ্গা পূজা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয় আৰু জয়ভুম কামাখ্যা মন্দিৰ অন্যতম। টুক্ৰেশ্বৰী দেৱালয়ত ৰজাদিনীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি দুৰ্গা পূজা পালন কৰা হৈছে।

দৰঙী কোচ ৰাজবংশৰ **মঙলদৈৰ** ৰজা হাউলীত ৪০৯ বছৰীয়া ঐতিহ্য আৰু পৰম্পৰাৰে আজি মহাষ্টমীত মুখমণ্ডলত ৰঙা ৰং বোলোৱা দুৰ্গাদেৱীৰ ৰণচণ্ডী ৰূপৰ বলি-বিধানেৰে পূজা-অৰ্চনা কৰা হয়। **ছিপাঝাৰৰ** বিভিন্ন পূজা মণ্ডপতো প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই জাকজমকতাবিহীনভাৱে দুৰ্গা পূজা অনুষ্ঠিত কৰা হৈছে।

**নগাঁও** জিলাত চাৰিশৰো অধিক পূজা সমিতিয়ে এইবাৰ দুৰ্গা পূজাৰ আয়োজন কৰিছে। অৱশ্যে এইবাৰ আনন্দ উল্লাসৰ পৰিৱৰ্তে অনাড়ম্বৰভাৱে দেৱীক আৰাধনা কৰা হৈছে। **বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা অষ্টমী উপলক্ষে আজি পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিলচৰৰ ঐতিহ্যমণ্ডিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত পুৱাৰেপৰা অগণন ভক্তৰ সমাগম হৈছে। **ধুবুৰী** জিলাৰ বিভিন্ন অঞ্চলত আজি দেৱীক মহাষ্টমীত মহা গৌৰীৰ ৰূপত পূজা কৰা হৈছে। দিনৰ ১ বাজি ২১ মিনিটত সন্ধি পূজা কৰা হ'ব। **বৰপেটা** ৰোডৰ বিভিন্ন পূজাথলীত আজি মহাষ্টমী পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ দক্ষিণ প্ৰান্তৰ দক্ৰেশ্বৰ দেৱালয়, বৰপেটাৰোডৰ দুৰ্গাবাৰী কালীবাৰী পূজা আৰু শিৱবাৰীকে ধৰি বিভিন্ন স্থানত পূজা অনুষ্ঠিত হৈছে। হাউলীৰ আনন্দ বজাৰৰ জনকল্যাণ সমিতিৰ পূজা মণ্ডপে এইবাৰ ৰাইজক বিশেষভাৱে আকৰ্ষণ কৰিছে। তেওঁলোকে জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই মণ্ডপ নিৰ্মাণ কৰিছে। **কোকৰাঝাৰ** জিলাৰ অৰ্ধ শতাধিক পূজা মণ্ডপত আজি পৰম্পৰাগত ৰীতি-নীতিৰে মহাষ্টমী

পূজা অনুষ্ঠিত হৈছে। সকলো মণ্ডপতে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে। **দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ ৪৩ খন ঠাইত শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হৈছে।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰলৈ অসম আৰক্ষী অপৰাধ অনুসন্ধান শাখাৰ দুগৰাকী বিষয়া ৰাওনা হয়। এই ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ্ আই টিৰ বিষয়াইও দিল্লীত ঘটনাৰ অনুসন্ধানৰ বাবে উপস্থিত আছে। জুবিন গাৰ্গৰ দুৰ্ভাগ্যজনক মৃত্যু সন্দৰ্ভত অসম আৰক্ষীয়ে দাখিল কৰা এজাহাৰ সন্দৰ্ভত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে আনুষ্ঠানিকভাৱে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান কৰিছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি তেওঁ উল্লেখ কৰে।

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে অনুসন্ধান অব্যাহত ৰাখিছে। প্ৰয়াত শিল্পীগৰাকীৰ সম্পৰ্কীয় ভাতৃ সন্দিপণ গাৰ্গক আজি বিশেষ তদন্তকাৰী গোটে সোধা-পোছা কৰে। উল্লেখযোগ্য যে, ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ বাবে জুবিন গাৰ্গৰ সৈতে সন্দিপণ গাৰ্গ একেলগে গৈছিল।

ইপিনে প্ৰাণৰ শিল্পীগৰাকীৰ চিতাভস্ম আজি যোৰহাটলৈ লৈ যোৱা হয়। শিল্পীগৰাকীৰ পৰিয়ালবৰ্গৰ পৰা অশ্ৰুসিক্ত নয়নেৰে যোৰহাটৰ ৰাইজে চিতাভস্মখিনি গ্ৰহণ কৰে। জিলাখনৰ কোষাগাৰ প্ৰাধিকৰণৰ ষ্ট্ৰংৰুমত নিশা চিতাভস্মখিনি ৰখা হ'ব। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কাইলৈ যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সকলো দিশ নিৰীক্ষণ কৰে। কৰ্ণাধৰ সমিতিৰ সৈতে বৈঠকত মিলিত হৈ অনুষ্ঠান সুকলমে সম্পন্ন কৰিবলৈ তেওঁ সকলোৰে সহায় সহযোগিতা কামনা কৰিছে।

প্ৰাণৰ শিল্পীগৰাকীৰ ১৩ দিনীয়া আদ্যশ্ৰাদ্ধ উপলক্ষে যোৰহাট ষ্টেডিয়ামত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভাগৱত পাঠ, দিহানামৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰায় দুহেজাৰ ভকত-বৈষ্ণৱে নাম প্ৰসংগত অংশ ল'ব। ইয়াৰ লগতে বহুসংখ্যক শিল্পীয়ে জুবিন গাৰ্গৰ লাইভ পেইণ্টিং কৰিব।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন আজি গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটো শ্ৰীলংকাৰ মুখামুখি হৈছে। বিয়লি ৩ বজাত আৰম্ভ হোৱা খেলখন বৰষুণৰ বাবে কিছু সময় স্থগিত ৰখা হয় আৰু নিৰ্ধাৰিত ৫০ অভাৰৰ সলনি ৪৮ অভাৰ খেলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। টছ্‌ত জিকি শ্ৰীলংকাই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে এটা উইকেট হেৰুৱাই ১৪ অভাৰত ৫০ ৰান কৰি খেলি আছে।

ইপিনে গুৱাহাটীত অনুষ্ঠিত হোৱা খেলখনৰ বাবে আজি যান-বাহন চলাচলৰ ক্ষেত্ৰত গুৱাহাটী মহানগৰীৰ যান-বাহন শাখাই বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০

সমাপ্ত